**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-09-2024 **Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

১। বিগত এটা দশকত ২৫ কোটি ভাৰতীয়ক দৰিদ্ৰতাৰ গ্ৰাসৰ পৰা মুক্ত কৰা হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাষ্ট্ৰসংঘৰ ভৱিষ্যতৰ শীৰ্ষ সন্মিলনত প্ৰকাশ।

২। কেন্দ্ৰীয় চৰকাৰৰ গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ তথা সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ ৰাজ্য মন্ত্ৰী বি এল বাৰ্মাৰ আজি দুদিনীয়া কাৰ্যসূচীৰে চৰাইদেউ জিলা ভ্ৰমণ।

৩। বিধানমণ্ডলৰ কাম-কাজ আৰু দক্ষতা বৃদ্ধিৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰত লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ গুৰুত্ব আৰোপ।

৪। ২০০ বছৰ গৰকা অসমৰ চাহ জনগোষ্ঠীয় লোকসকলৰ ঝুমুৰ নৃত্যক বিশ্ববাসীৰ সন্মুখত দাঙি ধৰাৰ বাবে ৰাজ্য চৰকাৰৰ বিশেষ পদক্ষেপ।

*আৰু*

৫। ইণ্ডিয়ান ছুপাৰ লীগ ফুটবল প্ৰতিযোগিতাৰ কলকাতাত অনুষ্ঠিত কালিৰ এখন খেলত নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে মোহন বাগান ছুপাৰ জায়েণ্টছ্ দলৰ ৩-২ গলৰ ব্যৱধানত জয়লাভ।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত যোৱানিশা অনুষ্ঠিত ভৱিষ্যতৰ শীৰ্ষ সন্মিলনত ভাষণ দি কয় যে বিগত এটা দশকত ২৫ কোটি ভাৰতীয়ক দৰিদ্ৰতাৰ গ্ৰাসৰ পৰা মুক্ত কৰা হৈছে। ইপিনে, তৃতীয় বিশ্বৰ দেশসমূহৰ সৈতে উন্নয়নৰ অংশীদাৰ হ'বলৈ পাই ভাৰত গৌৰৱান্বিত বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শান্তি আৰু নিৰাপত্তাৰ প্ৰতি অহা ভাবুকিৰ প্ৰতি আলোকপাত কৰি শ্ৰী মোদীয়ে কয় যে গোলকীয় শান্তি আৰু নিৰাপত্তাৰ ক্ষেত্ৰত সন্ত্ৰাসবাদ এতিয়াও গুৰুতৰ ভাবুকি হৈ আছে। সন্মিলনত ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে কয় –

(বাইট পি এম)

মানৱতাৰ সাফল্য যুদ্ধক্ষেত্ৰত নহয়, বৰঞ্চ সামূহিক শক্তিতহে নিহিত হৈ থাকে বুলি তেওঁ মত প্ৰকাশ কৰে।

ইপিনে, আনহাতে, চাইবাৰ সুৰক্ষা, সামুদ্ৰিক সুৰক্ষা আৰু মহাকাশ সুৰক্ষাই সংঘাতৰ নতুন বিষয়বস্তু হিচাপে আত্মপ্ৰকাশ কৰিছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে, আমি যেতিয়া পৃথিৱীৰ ভৱিষ্যতৰ বিষয়ে আলোচনা কৰো, তেনে সময়ত মানৱকেন্দ্ৰিক দৃষ্টিভংগীক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়া উচিত। বহনক্ষম উন্নয়নক অগ্ৰাধিকাৰ দিয়াৰ সময়তে আমি মানৱকল্যাণ, খাদ্য আৰু স্বাস্থ্য সুৰক্ষাও সুনিশ্চিত কৰিব লাগিব বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে তৃতীয়টো কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ কৰিছে। এই সময়ছোৱাত চৰকাৰে আন্তঃগাথনি, সমাজ কল্যাণ, কৃষক, মধ্যবিত্ত শ্ৰেণী, মহিলা আৰু যুৱ প্ৰজন্মৰ বাবে প্ৰায় ১৫ লাখ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। চৰকাৰে দেশৰ গ্ৰামাঞ্চল আৰু আৰ্থিকভাৱে পিছপৰা অঞ্চলৰ মহিলাসকলৰ সৱলীকৰণত গুৰুত্ব আৰোপ কৰি বিশেষভাৱে মহিলাৰ দ্বাৰা পৰিচালিত বিকাশৰ বাবে শক্তিশালী পৰিকাঠামো গঠনৰ দিশত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। দেশক ২০৪৭ চনৰ ভিতৰত উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যৰে নৰেন্দ্ৰ মোদী চৰকাৰে কোনো লোকে বিশেষকৈ মহিলা যাতে বিকাশৰ প্ৰক্ৰিয়াৰ পৰা বাদ পৰি নাযায় তাক নিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। দীনদয়াল অন্ত্যোদয় আঁচনি-ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা অভিযানৰ অধীনত ৯০ লাখৰো অধিক আত্মসহায়ক গোটৰ জৰিয়তে প্ৰায় ১০ কোটি মহিলাক অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰায় এঘাৰ লাখ নতুন লাখপতি দিদিয়ে প্ৰধানমন্ত্ৰীৰ পৰা তেঁওলোকৰ সফলতাৰ চিনৰূপে প্ৰমাণপত্ৰ লাভ কৰিছে। এই বছৰৰ বাজেটত নাৰী শক্তিক লাভান্বিত কৰাৰ উদ্দেশ্যে ৩ লাখ কোটি টকা ধাৰ্য কৰা হৈছে। আনহাতে, মহিলাৰ বাবে সন্মান তথা ঘৰৰ মালিকীস্বত্ত সুনিশ্চিত কৰাৰ

বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত প্ৰায় ৩ কোটি অতিৰিক্ত গৃহ নিৰ্মাণ কৰা হ’ব। চৰকাৰে চাৰি লাখ ৩০ হাজাৰ আত্মসহায়ক গোটৰ ৪৮ লাখ সদস্য উপকৃত হোৱাকৈ দুহেজাৰ ৫০০ কোটি টকাৰ পুঁজি মুকলি কৰি দিছে। নাৰী শক্তিক উদযাপন কৰাৰ উদ্দেশ্যে দুই লাখ ৩৫ হাজাৰ আত্মসহায়ক গোটৰ ২৬ লাখ সদস্য উপকৃত হোৱাকৈ পাঁচ হাজাৰ কোটি টকাৰ বেংকৰ ঋণ মুকলি কৰি দিয়া হৈছে। তদুপৰি মহিলা উদ্যোগীসকলৰ সৰলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি মুদ্ৰা ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

oooooooo

কেন্দ্ৰীয় চৰকাৰৰ গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ তথা সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগৰ ৰাজ্য মন্ত্ৰী বি এল বাৰ্মা দুদিনীয়া ভ্ৰমণসূচীৰে আজি চৰাইদেউ জিলাত উপস্থিত হ’ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হ’ব।

oooooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিধানমণ্ডলৰ কামকাজ আৰু দক্ষতা বৃদ্ধিৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰিছে। কালি নতুন দিল্লীত আৰম্ভ হোৱা কমনৱেলথ সংসদীয় সংস্থাৰ দুদিনীয়াকৈ অনুষ্ঠিত দশম ভাৰত আঞ্চলিক সন্মিলনত ভাষণ দি তেওঁ এইদৰে কয়। শ্ৰী বিৰলাই বিধানমণ্ডলসমূহক বিভিন্ন মঞ্চৰ মাধ্যমেৰে আলোচনা কৰি প্ৰযুক্তিৰ জৰিয়তে সমাজৰ শেষ ব্যক্তিজনেও যাতে কল্যাণমূলক আঁচনিসমূহৰ সুবিধা লাভ কৰিব পাৰে তাৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। সাম্প্ৰতিক সময়ত প্ৰযুক্তি আৰু  যোগাযোগৰ মাধ্যমসমূহ জনসাধাৰণৰ দৈনন্দিন জীৱনৰ অংশ হোৱাৰ পৰিপ্ৰেক্ষিতত জন প্ৰতিনিধিসকলে তেওঁলোকৰ বৰ্ধিত আশা-আকাংক্ষাসমূহ পূৰণ কৰাৰ বাবে পথৰ সন্ধান কৰিব লাগে বুলিও তেওঁ উল্লেখ কৰে।

বহনক্ষম উন্নয়ন আৰু অন্তৰ্ভুক্তিমূলক প্ৰশাসনৰ লক্ষ্যত উপনীত হোৱাত বিধানমণ্ডলসমূহৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰি শ্ৰী বিৰলাই কাৰ্যপালিকাৰ দায়বদ্ধতা আৰু স্বচ্ছতাক নিশ্চিত কৰি চৰকাৰক অধিক দায়বদ্ধ আৰু দক্ষ্য কৰি তুলিব পাৰে বুলি মন্তব্য কৰে। তেওঁ কয় যে, অন্তৰ্ভুক্তমূলক উন্নয়নৰ পথৰ হেঙাৰ তথা প্ৰত্যাহ্বানসমূহক সমাধান কৰাটো জনপ্ৰতিনিধি আৰু বিধানমণ্ডল সমূহৰ দায়িত্ব। এই সন্মিলনত বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ ৪৬ গৰাকী সভাপতি, ২৫ অধ্যক্ষ আৰু ১৪ গৰাকী উপাধক্ষই অংশগ্ৰহণ কৰে। এই সন্মিলনৰ মূল বিষয়বস্তু আছিল বহনক্ষমৰ অন্তৰ্ভুক্তিমূলক উন্নয়নত বিধানমণ্ডলৰ ভূমিকা।

ooooo

মাজুলী জিলাৰ নৱনিযুক্ত জিলা আয়ুক্তগৰাকী কালি জিলাখনৰ সাংবাদিকসকলৰ সৈতে নিজ কাৰ্যালয়ত আলোচনাত মিলিত হয়। সভাত সাংবাদিকসকলে জিলাখনৰ বিভিন্ন সমস্যা তথা জনসাধাৰণৰ আশা-আকাংক্ষাৰ বিষয়ে তেওঁৰ সন্মুখত ব্যাখ্যা কৰে। বৈঠকৰ সময়ত জিলা আয়ুক্তগৰাকীয়ে জিলাখনৰ সৰ্বাংগীন উন্নয়নৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰাৰ লগতে মাজুলীবাসীৰ কল্যাণৰ বাবে জিলা প্ৰশাসনে অহৰহ কাম কৰি যোৱাৰ আশ্বাস প্ৰদান কৰে।

আনহাতে নৱনিযুক্ত জিলা আয়ুক্তগৰাকীৰ অধ্যক্ষতাত অহা ২৯ ছেপ্তেম্বৰত হ’বলগীয়া গাড়ীচালক আৰু অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত কালি এখন সভা অনুষ্ঠিত হয়। সভাত পৰীক্ষাৰ লগত জড়িত সকলো বিষয়া উপস্থিত থাকে। চৰকাৰী নীতি-নিৰ্দেশনা অনুসৰি উপযুক্ত নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে শৃংখলাবদ্ধ তথা শান্তিপূৰ্ণভাৱে পৰীক্ষা অনুষ্ঠিত কৰাৰ বিষয়ে বিতংভাৱে আলোচনা কৰাৰ লগতে সকলোকে নিজ নিজ দায়িত্ব পালন কৰিবলৈ আয়ুক্তগৰাকীয়ে আহ্বান জনায়।

oooooooo

উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই কালি জাগীৰোডত স্থাপন হ’বলগীয়া টাটা গ্ৰুপৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত প্ৰকল্পটোৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে সম্ভাব্য সমস্যাসমূহৰ বিষয়েও আলোকপাত কৰা হয়। বৈঠকত টাটা গ্ৰুপৰ প্ৰতিনিধি আৰু ৰাজ্য চৰকাৰৰ মুখ্য সচিবৰ লগতে উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ আৰু কৰ বিভাগৰ কেইবাগৰাকীও উচ্চপদস্থ বিষয়া উপস্থিত থাকে।

ইপিনে, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰো দায়িত্বত থকা মন্ত্ৰী বৰাই কালি ৰাজ্য চৰকাৰৰ উদ্যোগত হ'বলগীয়া ঝুমুৰ নৃত্য প্ৰদৰ্শনী সন্দৰ্ভত জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে আলোচনাত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে জনোৱা অনুসৰি যোৱাবছৰ বিহুৰে গীণিজ বুকত নাম অন্তৰ্ভুক্ত কৰি বিশ্ব অভিলেখ গঢ়াৰ সমান্তৰালভাৱে এইবাৰ ২০০ বছৰ গৰকা অসমৰ চাহ উদ্যোগৰ সৈতে জড়িত চাহ জনগোষ্ঠীয় লোকসকলৰ ঝুমুৰ নৃত্যক বিশ্ববাসীৰ সন্মুখত দাঙি ধৰাৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে আয়ুক্তসকলক এই অনুষ্ঠানৰ সফলতাৰ ক্ষেত্ৰত কোনোধৰণৰ ত্ৰুটি নৰখাকৈ কাম কৰিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে দুৰ্গা পূজা সমিতিসমূহলৈ আৰ্থিক অনুদান আগবঢ়োৱাৰ ক্ষেত্ৰতো আলোকপাত কৰে।

০০০০০০০০

দক্ষতা, নিয়োগ আৰু উদ্যমিতা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ স্বচ্ছ ভাৰত মিছন গ্ৰামীন আৰু জলজীৱন মিছনৰ কাৰ্যকৰীকৰণ তথা পৰিকল্পনা সন্দৰ্ভত চাহ বাগিছাৰ পৰিচালক, কৰ্তৃপক্ষ আৰু অন্যান্য অংশীদাৰসকলৰ সৈতে কালি এখন বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত চাহ বাগিছা এলেকাসমূহত দুয়োখন আঁচনিৰে এশ শতাংশ ৰূপায়ণ, প্ৰতিটো বাসগৃহত শৌচাগাৰ স্থাপন তথা আঁচনিসমূহৰ কাৰ্যকৰীকৰণৰ বাবে বুজাবুজিৰ চুক্তিও চূড়ান্ত কৰা হয়। ইয়াৰ লগতে বাগিচাৰ শ্ৰমিকসকলে যাতে দুবাৰ নিয়মিত খোৱাপানী লাভ কৰে সেয়া নিশ্চিত কৰিবলৈ বাগিচাৰ কৰ্তৃপক্ষক তেওঁ অনুৰোধ জনায়। বৈঠকত পাৰ্বত্য অঞ্চল উন্নয়ন মন্ত্ৰীযোগেন মহনো উপস্থিত থাকে।

০০০০০০০০

পশুপালন আৰু পশু চিকিৎসা মন্ত্ৰী অতুল বৰাই কালি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ হিতাধিকাৰী প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলৰ সৈতে মত বিনিময় কৰে। বোকাখাতৰ পশু চিকিৎসা বিজ্ঞান আৰু পশুপালন মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে কৃষি, পশুপালন তথা আনুসংগিক ক্ষেত্ৰসমূহত আত্মনিৰ্ভৰশীলতাৰ সুযোগ দিয়াৰ জৰিয়তে যুৱ সৱলীকৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৰাজ্যৰ জনসংখ্যাৰ সৰহ সংখ্যক লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল বুলি উল্লেখ কৰি তেওঁ কয় যে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ জৰিয়তে বাণিজ্যিক মূল্য থকা কৃষি আৰু উদ্যমিতা ক্ষেত্ৰৰ উন্নয়ন ত্বৰান্বিত হৈছে।

০০০০০

অসম ৰাজ্যিক চিৰিয়াখানালৈ কেইবাবিধো নতুন বন্যপ্ৰাণী অনা হৈছে। চিৰিয়াখানাখনলৈ কালি এহাল কৃষ্ণ মৃগ, একোহাল নীলা আৰু সোণালী ৰঙৰ মাকাউ চৰাই, এটা খড়্গযুক্ত মাইকী গঁড় আৰু এজনী বাঘিনী অনা হৈছে। চিৰিয়াখানাখনত চৰাই আৰু জন্তুৰ এই নতুন সংযোজনে পৰ্যটকসকলক আকৰ্ষিত কৰিব বুলি কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন-পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অসমীয়া ভাষাৰ সাধাৰণ ঘোষণা তথা শিশু আৰু মহিলা শাখাৰ লগতে হিন্দী, নেপালী, কাৰ্বি, বড়ো, চাহ জনগোষ্ঠীৰ অনুষ্ঠান আৰু পাশ্চাত্য সংগীত শাখাত অংশকালীন ঘোষক-ঘোষিকাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। ২০ৰ পৰা ৫০ বছৰ বয়সৰ ভিতৰৰ স্নাতক ডিগ্ৰীধাৰী প্ৰাৰ্থীয়ে ইয়াৰ বাবে আবেদন কৰিব পাৰিব। প্ৰাৰ্থী গুৱাহাটী পৌৰ এলেকাৰ বাসিন্দা হ'ব লাগিব। আগ্ৰহীসকলে আকাশবাণী গুৱাহাটীৰ ফেচবুক পেজ AIR GUWAHATI-ৰ পৰা আবেদন প্ৰ-পত্ৰ ডাউনলʼড কৰি অথবা আকাশবাণী গুৱাহাটীৰ সমন্বয় শাখাৰ পৰা

আবেদন প্ৰ-পত্ৰ সংগ্ৰহ কৰি যাৱতীয় নথিৰ সৈতে অহা ৪ অক্টোবৰৰ ভিতৰত জমা দিব লাগিব। প্ৰাৰ্থীসকলক লিখিত পৰীক্ষা, কণ্ঠস্বৰ পৰীক্ষা আৰু সাক্ষাতকাৰৰ জৰিয়তে নিৰ্বাচন কৰা হ'ব।

0000000

ইণ্ডিয়ান ছুপাৰ লীগ ফুটবল প্ৰতিযোগিতাৰ কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত কালি অনুষ্ঠিত এখন খেলত মোহন বাগান ছুপাৰ জায়েণ্টছ দলটোৱে নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবক ৩-২ গলৰ ব্যৱধানত পৰাস্ত কৰে। নৰ্থ ইষ্ট ইউনাইটেড এফ চিৰ খেলুৱৈ মহম্মদ আলী বেমাম্মাৰে খেলৰ চতুৰ্থ মিনিটতেই প্ৰথমটো গল দি দলটোক আগবঢ়াই নিয়ে যদিও খেলখনৰ আৰম্ভণিৰ পৰাই আক্ৰমণাত্মক ভূমিকা গ্ৰহণ কৰা মোহন বাগান দলটোৰ খেলুৱৈসকলে নৰ্থ ইষ্ট দলক প্ৰতিহত কৰিবলৈ সমৰ্থ হয়।

মোহন বাগানৰ দীপ্যেন্দু বিশ্বাসে খেলৰ দশম মিনিটত প্ৰতিপক্ষৰ বেহু ভেদ কৰি সমতা স্থাপন কৰে। নৰ্থ ইষ্ট দলৰ আলেদ্দিন আজাৰীয়ে খেলৰ ২৪ মিনিটত দ্বিতীয়টো গল দিয়ে যদিও ৬১ মিনিটত শুভাশিস বোসে নিজ দলৰ হৈ দ্বিতীয়টো গলেৰে পুনৰ ২-২ গলত সমতা স্থাপন কৰে। পৰৱৰ্তী সময়ত খেলৰ ৮৭ মিনিটত জেছন কিউমিংছে মোহন বাগানৰ হৈ তৃতীয়টো গল দি দলটোৰ বিজয় নিশ্চিত কৰে।

প্ৰতিযোগিতাৰ কাইলৈ সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া এখন খেলত পঞ্জাব এফ চি হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

ৰাষ্ট্ৰসংঘত নেপালৰ প্ৰধানমন্ত্ৰী অ'লি, কুৱেইটৰ যুৱৰাজ আৰু পেলেষ্টাইনৰ ৰাষ্ট্ৰপতিৰে মোদীৰ বৈঠক। কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তিৰ সুযোগ ভাৰতীয়ক দিবলৈ প্ৰধানমন্ত্ৰী মোদীৰ আহ্বান। শীৰ্ষ মাৰ্কিন কোম্পানীৰ মুখ্য কাৰ্যবাহীৰে প্ৰধানমন্ত্ৰী মোদীৰ আলোচনা সন্দৰ্ভত প্ৰকাশিত বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান দিছে।

ৰাজ্যৰ ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীত নতুন দিল্লীৰ যন্তৰ মন্তৰত বিক্ষোভ প্ৰদৰ্শনৰ বাতৰিটো **দৈনিক জনমভূমি** কাকতে প্ৰধান বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ইজৰাইলৰ মুহুৰ্মুহু আক্ৰমণত লেবাননত শিশুসহ নিহত প্ৰায় ২০০ জন লোক শিৰোনামেৰে এই বাতৰি **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

শিশু পৰ্ণগ্ৰাফী চোৰা আৰু ডাউনলোড কৰা বিষয়টো অপৰাধ হিচাপে গণ্য কৰাৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ ৰায়প্ৰদান। এই প্ৰসংগত **দি আছাম ট্ৰিবিউন** কাকতৰ শিৰোনাম - Child Pornographic Meterials Possession Constitutes Offence Under POCSO, IT Laws ।

**নিয়মীয়া বাৰ্তা** কাকতৰ প্ৰথম পৃষ্ঠাৰ বাতৰি- মুখ্যমন্ত্ৰীৰ নিৰ্দেশত দিনে-ৰাতিয়ে চলিছে মেৰামতি। দুৰ্গা পূজাৰ পূৰ্বে সুচল হৈ উঠিব গুৱাহাটী মহানগৰৰ বাট-পথ।

উৎকট গৰমত বিপন্ন জনজীৱন, গুৱাহাটীত চাৰিদিনৰ বাবে বন্ধ বিদ্যালয়সমূহ, ৰাজ্যজুৰি অব্যাহত থকা প্ৰচণ্ড গ্ৰীষ্ম প্ৰৱাহৰ ফলস্বৰূপে তিনিদিনত ৯ জন লোকৰ মৃত্যু হোৱা বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৰং জিলাৰ পদুমপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত জ্যেষ্ঠ ছাত্ৰৰ প্ৰহাৰত বিদ্যালয়তে প্ৰাণ গ'ল নৱম শ্ৰেণীৰ ছাত্ৰৰ- **দৈনিক অগ্ৰদূত** কাকতে এই বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - চন্দ্ৰযান প্ৰজ্ঞানৰ তথ্যত চন্দ্ৰত আছে পানী, অক্সিজেনৰ বিশাল ভাণ্ডাৰ, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ তথ্যত ৰাজ্যত নাই ৭৪ শতাংশ বিশেষজ্ঞ চিকিৎসক, অস্কাৰত কিৰণ ৰাওৰ ছবি **লাপতা লেডিজৰ** ভাৰতক প্ৰতিনিধিত্ব, ট্ৰেডিং প্ৰৱঞ্চনা অভিযোগত আৰক্ষীৰ জালত দেৰগাঁৱৰ ভাস্কৰ বৰুৱা, চানমাৰিৰ পৰিৱৰ্তে এইবাৰ গ্ৰন্থমেলা খানাপাৰাত ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

0000000

**সমাপ্ত**